**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-04-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ত অনুমোদন।

২। গুৱাহাটীৰ শিলসাঁকো বিলক প্ৰধানমন্ত্ৰী কৃষি জলসিঞ্চন যোজনাৰ অধীনত সামৰি লোৱাৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰস্তাৱৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ সমৰ্থন।

৩। মণিপুৰত শান্তি স্থাপনৰ লক্ষ্যৰে নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰৰ সৈতে মেইতেই আৰু কুকী সংগঠনৰ প্ৰতিনিধিৰ বৈঠক।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক শ্ৰীলংকাৰ সৰ্বোচ্চ অসামৰিক সন্মান **মিত্ৰ বিভূষণ** প্ৰদান। **আৰু**

৫। খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাৰ আজি সাৰমণি।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই সপ্তাহত সংসদত গৃহীত ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ত অনুমোদন জনাইছে। ইয়াৰ লগে লগে বিধায়কখন আইনত পৰিণত হৈছে।

উল্লেখযোগ্য যে লোকসভাই বৃহস্পতিবাৰে বিধেয়কখন গ্ৰহণ কৰিছিল। নিম্ন সদনত ২৮৮ গৰাকী সদস্যই বিধেয়কখনৰ সপক্ষে আৰু ২৩২ গৰাকী সদস্যই বিপক্ষে ভোট দিছিল। ৰাজ্যসভাত ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ শুকুৰবাৰে গৃহীত হৈছিল। উচ্চ সদনত ১২৮ গৰাকী সদস্যই বিধেয়কখনৰ সপক্ষে আৰু ৯৫ গৰাকীয়ে বিপক্ষে ভোটদান কৰিছিল। ৰাষ্ট্ৰপতিয়ে লগতে মুছলমান ৱক্‌ফ বাতিলকৰণ বিধেয়ক ২০২৫তো অনুমোদন দিছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে গুৱাহাটীৰ শিলসাঁকো বিলক পুনৰুজ্জীৱিত কৰা আৰু প্ৰদূষণমুক্ত কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী কৃষি জলসিঞ্চন যোজনাৰ অধীনত সামৰি লোৱাৰ বাবে ৰাজ্য চৰকাৰে আগবঢ়োৱা প্ৰস্তাৱ গ্ৰহণ কৰিছে। এই প্ৰকল্পৰ বাবে ২৩৭ কোটি টকা ব্যয় কৰা হ'ব আৰু ইয়াৰে ২১৩ কোটি ৩০ লাখ টকা কেন্দ্ৰীয় চৰকাৰে আগবঢ়াব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি এই পদক্ষেপৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী চি আৰ পাটিললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয়, যে দখলৰ পৰা মুক্ত কৰাৰ দিশত ৰাজ্য চৰকাৰৰ প্ৰচেষ্টাৰ পাছত কেন্দ্ৰীয় সাহায্যৰে এই আৰ্দ্ৰভূমিক কেন্দ্ৰীয় সাহায্যৰে নতুন ৰূপ প্ৰদান কৰা হ'ব।

০০০০০০

অসম আৰু অৰুণাচল প্ৰদেশৰ সীমা বিবাদ বৰ্তমান ব্যৱস্থাৰ অধীনত সম্পূৰ্ণৰূপে সমাধান কৰা হ'ব। অৰুণাচল প্ৰদেশৰ আলোত আয়োজিত ৫৯ সংখ্যক মপিন উৎসৱত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি এইদৰে মন্তব্য কৰে। ২০২৬ চনত ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী পালন কৰা হ্ব বুলি ঘোষণা কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ড° ভূপেন হাজৰিকাৰ অৰুণাচল প্ৰদেশৰ প্ৰতি থকা আন্তৰিকতাৰ বাবে অসম চৰকাৰে অৰুণাচলতো এই শতবাৰ্ষিকী পালন কৰিবলৈ ইচ্ছুক। এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৰ প্ৰতি তেওঁ আহ্বান জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অৰুণাচল প্ৰদেশ আৰু অসম কেৱল ভৌগোলিক সীমাৰেই নহয় বহু শতিকাজোৰা ঐতিহ্য সভ্যতা শিপাৰে সংযুক্ত সমন্বয়ৰ প্ৰতীক। অসমীয়া সমাজৰ বহু উৎসৱৰ দৰেই মপিন উৎসৱৰো আধাৰ প্ৰকৃতিয়েই বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই উল্লেখ কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

ড০ শৰ্মাই কয়, যে এটা সময়ত উত্তৰ পূৰ্বাঞ্চলক অবহেলিত অঞ্চল বুলি গণ্য কৰা হৈছিল কিন্তু ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ক্ষমতালৈ অহাৰ পাছত অঞ্চলটোত দ্ৰুত পৰিৱৰ্তন সাধন হৈছে। আগন্তুক ২০ বছৰত অঞ্চলটোত বৃহৎ পৰিৱৰ্তন সাধন হ'ব বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে মপিন উৎসৱলৈ আমন্ত্ৰণ জনোৱাৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু আৰু গালো জনগোষ্ঠীয় আয়োজক মণ্ডলীক কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০০

মণিপুৰত শান্তি স্থাপনৰ লক্ষ্যৰে কালি নতুন দিল্লীত এখন ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিৰ সৈতে মণিপুৰৰ মেইতেই আৰু কুকী সংগঠনৰ প্ৰতিনিধিৰ লগতে নাগৰিক সমাজৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় চৰকাৰৰ হৈ বিশেষ মধ্যস্থতাকাৰী হিচাপে চোৰাংচোৱা সংস্থাৰ অৱসৰপ্ৰাপ্ত সঞ্চালক এ কে মিশ্ৰই বৈঠকত অংশ লয়। এই বৈঠকত ৰাজ্যখনলৈ শান্তি উভতাই অনাৰ বাবে গ্ৰহণ কৰিবলগীয়া পন্থা সন্দৰ্ভত আলোচনা কৰাৰ লগতে কুকী আৰু মেইতেই সম্প্ৰদায়ৰ মাজত পাৰস্পৰিক সহযোগিতা অক্ষুণ্ণ ৰখাত গুৰুত্ব আৰোপ কৰা হয়। এই বৈঠকৰ পূৰ্বে বৃহস্পতিবাৰে লোকসভাত মণিপুৰক লৈ এটা প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। সেই দিনাই গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজ্যখনত শান্তি স্থাপনৰ বাবে মণিপুৰৰ বিভিন্ন সংগঠনৰ সৈতে চৰকাৰে যোগাযোগ ৰক্ষা কৰা বুলি প্ৰকাশ কৰিছিল। এই অনুসৰি নতুন দিল্লীত কালি কেন্দ্ৰীয় চৰকাৰৰ সৈতে মণিপুৰৰ সংগঠনসমূহৰ আলোচনা অনুষ্ঠিত হয়। উল্লেখযোগ্য যে ২০২৩ চনৰ মে'ত ৰাজ্যখনত মেইতেই আৰু কুকী জনগোষ্ঠীৰ মাজত সংঘাতৰ সূত্ৰপাত হৈছিল। ইয়াৰ ফলত ৰাজ্যখনত বহুলোকে প্ৰাণ হেৰুৱাৰ লগতে কেইবাহাজাৰো লোক গৃহহাৰা হৈ শৰণাৰ্থীৰ শিবিৰত আশ্ৰয় ল'বলগীয়া হৈছিল। যোৱা ৯ ফেব্ৰুৱাৰীত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন বিৰেণ সিঙে পদত্যাগ কৰাৰ পাছত মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন জাৰি কৰা হৈছিল। যোৱা ১৯ মাৰ্চৰ পৰা নিৰাপত্তা বাহিনী আৰু আৰক্ষীয়ে ৰাজ্যখনত চলোৱা তালাচীত বৃহৎ অস্ত্ৰ ভাণ্ডাৰ উৎখাত কৰা হৈছিল। কালি অনুষ্ঠিত এই বৈঠকৰ পাছত ৰাজ্যখনত শান্তিৰ পথ প্ৰশস্ত হ'ব বুলি আশা কৰা হৈছে।

০০০০০০

**ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু দেশখনৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিছানায়কে দেশ দুখনে একেলগে কাম কৰি যোৱাত গুৰুত্ব আৰোপ কৰে। দেশ দুখনৰ বন্ধুত্বৰ প্ৰতীক হিচাপে শ্ৰীলংকাৰ**

**ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰধানমন্ত্ৰী মোদীক মিত্ৰ বিভূষণ বঁটাৰে সন্মানিত কৰে। দুয়োগৰাকী নেতাই যুটীয়াভাৱে এখন সংবাদমেলত অংশ লোৱাৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে এই বঁটা লাভ কৰি সন্তুষ্টি পোৱা বুলি প্ৰকাশ কৰে। এয়া দেশৰ জনসাধাৰণৰ বাবেও সন্মানৰ বিষয় বুলি তেওঁ অভিহিত কৰে। .............. বাইট**

০০০০০০

ৰাষ্ট্ৰীপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অহা ২৪ এপ্ৰিলত দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। তেওঁ ২৪ এপ্ৰিলত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত ২০২৩ বৰ্ষৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান অনুষ্ঠানত অংশ ল'ব। ইয়াৰ পাছত ৰাষ্ট্ৰপতিগৰাকীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহত ভাগ ল'ব।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি জনতাভৱন চৌহদৰ লোকসেৱা ভৱনত ৰাষ্ট্ৰপতিগৰাকীৰ আসন্ন ভ্ৰমণৰ প্ৰাৰম্ভিক প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়া আৰু গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান অনুষ্ঠানত বৈষ্ণৱ সংস্কৃতিৰ সমাহাৰ প্ৰতিফলিত কৰাৰ লগতে প্ৰতিটো কাৰ্যসূচী নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে।

০০০০০০

ৰাজ্যৰ স্নাতক মহাবিদ্যালয়সমূহত থকা উচ্চতৰ মাধ্যমিক শাখাৰ শ্ৰেণী দুটা অহা ৫ বছৰ পৰ্যন্ত ৰখা হ'ব। এই সময়ছোৱাতে উচ্চ মাধ্যমিক বিদ্যালয়সমূহ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰি একাদশ আৰু দ্বাদশ শ্ৰেণী সংযোজন কৰা হ'ব যাতে মহাবিদ্যালয়সমূহৰ পৰা এই শ্ৰেণী দুটা আঁতৰাই দিয়াৰ ফলত তাৎক্ষণিকভাৱে ছাত্ৰ-ছাত্ৰীসকল অসুবিধাৰ সন্মুখীন নহয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঢকুৱাখনাত অনুষ্ঠিত অসম বিজ্ঞান সমিতিৰ ৫৫ সংখ্যক ৰাজ্যিক অধিৱেশনত অংশ লৈ কালি এই কথা প্ৰকাশ কৰে। অধিৱেশনত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে অসম বিজ্ঞান সমিতিয়ে ৰাজ্যখনত যোৱা সাতটা দশক ধৰি নিৰৱচ্ছিন্নভাৱে বিজ্ঞান শিক্ষাৰ প্ৰচাৰ, প্ৰসাৰ আৰু বিজ্ঞান মনস্কতা গঢ় দিয়াৰ বাবে কৰি অহা কামৰ প্ৰশংসা কৰে। তেওঁ লগতে অনাগত সময়ত ৰাজ্য চৰকাৰৰ লগত সহযোগিতাৰে জৈৱ বৈচিত্ৰ ৰক্ষাকে ধৰি অন্যান্য কাম-কাজত সক্ৰিয়ভাৱে জড়িত হ'বলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে আয়ুষ মন্ত্ৰালয়ৰ অৰুণাচল প্ৰদেশৰ পাচিঘাটত থকা নৰ্থ-ইষ্টাৰ্ণ ইনষ্টিটিউট অৱ আয়ুৰ্বেদ এণ্ড ফ'ক মেডিচিন ৰিছাৰ্চৰ উদ্যোগত  স্বাস্থ্য গৱেষণা অনুষ্ঠান আৰু মুগা শিল্প বিষয়ক আলোচনাচক্ৰ অনুষ্ঠিত হয়। কালিৰ কাৰ্যসূচীত অধিৱেশন উপলক্ষে প্ৰকাশিত স্মাৰক গ্ৰন্থ **বীক্ষণ** উন্মোচন কৰে।

০০০০০০

জিকিৰৰ প্ৰসিদ্ধ শিল্পী প্ৰয়াত ৰেকিবুদ্দিন আহমেদৰ সোঁৱৰণত গঢ় লৈ উঠা জিকিৰ সম্ৰাট ৰেকিবুদ্দিন আহমেদ সোঁৱৰণী জিকিৰ-জাৰী চৰ্চা আৰু গৱেষণা মঞ্চ অসমৰ উদ্যোগত কালি শিৱসাগৰৰ যুৱদলত বিশেষ স্মাৰক বক্তৃতা আৰু বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত লোক সংস্কৃতিৰ সাধক ড০ অনিল শইকীয়াই জিকিৰৰ সাংগীতিক সৌন্দৰ্য শীৰ্ষক বক্তৃতা আগবঢ়ায়। এই অনুষ্ঠানতে  লোকশিল্পী তথা সংগীত নাটক অকাডেমী বঁটাপ্ৰাপক তৰাৰতী বড়িক ২০২৪-২৫ বৰ্ষৰ ৰেকিবুদ্দিন আহমেদ সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। একেটা

অনুষ্ঠানতে জিকিৰ শিল্পী ছামছুদ্দিন আহমেদক জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হয়। জিকিৰ-জাৰী প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে নিৰলসভাৱে কাম কৰি যোৱা অসমৰ ভিন্ন প্ৰান্তৰ শিল্পীকো এই অনুষ্ঠানতে সম্বৰ্ধনা জনোৱা হয়।

০০০০০০

যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকা গৃহত কালিৰে পৰা অনুষ্ঠিত দ্বিতীয় বাৰ্ষিক যোৰহাট সাহিত্য উৎসৱৰ আজি সামৰণি পৰিব। কালি কাৰ্যসূচীৰ অংশ হিচাপে নিৰোদ চাংকাকতি ন্যাসৰ সৌজন্যত **অসমীয়া কাকত আলোচনীৰ ভৱিষ্যত আৰু পাঠকৰ দায়িত্ব** শীৰ্ষক আলোচনা অনুষ্ঠিত হয়। আলোচনাত মুখ্য বক্তা হিচাপে অংশ লৈ যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সৌমিত্ৰ পূজাৰীয়ে বাতৰি কাকতক জনসাধাৰণৰ ওচৰ চপাই নিয়াৰ বাবে খবৰৰ বস্তুনিষ্ঠ বিশ্লেষণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানটো উদ্বোধন কৰি অসম সাহিত্য সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে ছপা মাধ্যমৰ জনপ্ৰিয়তা অক্ষুণ্ণ থাকিব বুলি প্ৰকাশ কৰে।

০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত হাজো-শুৱালকুছি সমষ্টিৰ অসম গণ পৰিষদৰ দলৰ এখন গুৰুত্বপূৰ্ণ সভা কালি দলটোৰ হাজোৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। এই সভাত দলৰ নেতৃত্বই নিৰ্বাচনৰ বাবে তৎপৰতা গ্ৰহণ কৰিবলৈ তৃণমূল কৰ্মীসকলক পৰামৰ্শ দিয়ে। তদুপৰি কেন্দ্ৰীয় নেতৃত্বৰ নিৰ্দেশ অনুসৰি বিজেপিৰ সৈতে মিত্ৰতা অটুট ৰাখি পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হোৱা সন্দৰ্ভতো সভাখনত আলোচনা কৰা হয়।

০০০০০০

গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে প্ৰধানমন্ত্ৰী শ্ৰীলংকা ভ্ৰমণ, ৰাভা-হাচং স্বায়ত্বশাসিত পৰিষদৰ নিৰ্বাচনত এন ডি এৰ জয়লাভ, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অৰুণাচল প্ৰদেশৰ মপিন উৎসৱত অংশগ্ৰহণ কৰা বাতৰি গুৰুত্বসহকাৰে প্ৰকাশ কৰা দেখা গৈছে।

মণিপুৰত শান্তি প্ৰতিষ্ঠাৰ লক্ষ্যৰে গৃহমন্ত্ৰালয়ৰ উদ্যোগত কালি দিল্লীত মেইটেই আৰু কুকী নেতাৰ মাজত আলোচনা হোৱাৰ বাতৰিক দিল্লীত প্ৰথমবাৰৰ বাবে আলোচনা কুকি-মেইটেই প্ৰতিনিধিৰ শিৰোনামেৰে দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ শ্ৰীলংকাৰ সৰ্বোচ্চ সন্মান মিত্ৰ বিভূষণ আগবঢ়োৱাৰ বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ প্ৰতিশুল্ক আৰোপৰ সিদ্ধান্তৰ বাবে বিশ্বজুৰি মন্দাৱস্থা দেখা দিব পাৰে বুলি উল্লেখ কৰি বিশ্বজুৰি মন্দাৰ আশংকা শিৰোনামেৰে আমাৰ অসম কাকতে এটা বাতৰি প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে শ্ৰীলংকা ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীক সিংহলী ভাষাত অনূদিত বৰগীতৰ সংকলন উপহাৰ স্বৰূপে প্ৰদানৰ বাতৰিক বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে গুণোৎসৱত বি টি আৰৰ নিম্নমানৰ ফলাফলক লৈ এবছুৰে উদ্বেগ প্ৰকাশ কৰাৰ বাতৰিক মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ৰাজ্য চৰকাৰে কোচ ৰাজবংশী লোকসকলক বিশেষ ক্ষমতা প্ৰদানৰ চিন্তা-চৰ্চা কৰাৰ বাতৰিক ট্ৰাইবেল বেল্ট ব্লকত অধিকাৰ পাব কোচ ৰাজবংশীয়ে শিৰোনামেৰে দৈনিক জনমভূমি কাকতে এটা বাতৰি প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত কাকতে থলুৱা মাছৰ উৎপাদন বৃদ্ধিৰ বাবে মীন বিভাগৰ আঁচনিবোৰ কেৱল ফাইলৰ মাজতে আৱদ্ধ হৈ ৰৈছে বুলি উল্লেখ কৰি কণী পৰাৰ সময়ত মাছ মৰা নিষিদ্ধকৰণ শ্লো গানহে এবিধ এবিধকৈ থলুৱা মাছৰ বিলুপ্তি শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে ভাৰত আৰু শ্ৰীলংকাই প্ৰতিৰক্ষা খণ্ডত গুৰুত্বপূৰ্ণ চুক্তি সম্পাদনৰ বাতৰিক ফটো সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অৰুণাচল প্ৰদেশৰ মপিন উৎসৱত প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত উত্তৰ-পূৰ্বাঞ্চালত গুৰুত্বপূৰ্ণ পৰিৱৰ্তন সাধন হোৱা বুলি কৰা মন্তব্যক দ্যা ছেণ্টিনেল কাকতে North East at the cusp of transformation শিৰোনামেৰে প্ৰকাশ কৰিছে।

দ্যা টাইমছ অব্ ইণ্ডিয়াই বিজেপি, ৰাভা হাচং যৌথ মঞ্চ মিত্ৰজোঁটে ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনত জয়লাভ কৰা বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

oooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ বাতৰি আৰু কেতবোৰ অনুষ্ঠানৰ সময় আজিৰে পৰা কিছু সাল-সলনি কৰা হৈছে।

পূৰ্বে সন্ধিয়া ৭ বাজি ৫ মিনিটত প্ৰচাৰিত ‘জিলাৰ ৰেহৰূপ’ অনুষ্ঠান আকাশবাণী সঞ্চালকৰ নিৰ্দেশ অনুসৰি আজিৰে পৰা পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২০ মিনিটলৈ প্ৰচাৰৰ দিহা কৰা হৈছে। ঠিক একেদৰে দিনৰ ১০ বজাত প্ৰচাৰিত মুখ্য বাতৰি অহা আজিৰে পৰা ১১ বজাত প্ৰচাৰ কৰা হ’ব। বিবিধ ভাৰতীযোগে পুৱা ৭ বাজি ২৮ মিনিট আৰু নিশা ৮ বাজি ২৮ মিনিটত প্ৰচাৰিত মুখ্য বাতৰিৰ প্ৰচাৰো আজিৰে পৰা বন্ধ কৰা হ’ব।

oooooo

পৰম্পৰাগত অসমীয়া গহনাই জি আই টেগ অৰ্থাৎ ভৌগোলিক সূচাংক লাভ কৰা সন্দৰ্ভত আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদচলন্তিকা প্ৰচাৰ কৰা হ’ব। এই অনুষ্ঠানটোৰ প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

oooooo

খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাৰ আজি সামৰণি পৰিব। প্ৰতিযোগিতাত কালিৰ খেলৰ সামৰণিৰ পৰলৈকে যোৰহাটে ১২ টা সোণ, ১৫টা ৰূপ আৰু ৪ ব্ৰঞ্জৰ পদকেৰে শীৰ্ষ স্থান অক্ষুণ্ণ ৰাখিছে। বৰ্তমানলৈকে কামৰূপ মেট্ৰ’ দলে ৮টা সোণ, তিনিটা ৰূপ আৰু ১০ টা ব্ৰঞ্জৰ পদকেৰে দ্বিতীয় আৰু কামৰূপ দলে ৪টা সোণ, দুটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদকেৰে তৃতীয় স্থানত আছে। প্ৰতিযোগিতাত শিৱসাগৰ মুঠ ১২ টা পদকেৰে চতুৰ্থ আৰু লখিমপুৰে ৬টা পদকেৰে পঞ্চম স্থানত আছে।

oooooo

ৰাজস্থান ৰয়েলছে যোৱা নিশা চণ্ডিগড়ত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাৱ কিংছক ৫০ ৰানত পৰাস্ত কৰে। খেলখনত ৰাজস্থান ৰয়েলচে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ২০৫ ৰাণ কৰে। ৰাজস্থানৰ হৈ যশস্বী জয়ছোৱালে ৬৭ ৰাণৰ বৰঙণি আগবঢ়ায় আৰু ৰিয়ান পৰাগে ৪৩ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। পাঞ্জাবৰ লাকী ফাৰ্গুছনে দুটা উইকেট দখল কৰে।

প্ৰত্যুত্তৰত পাঞ্জাৱ কিংছে ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৫৫ ৰাণহে কৰিবলৈ সমৰ্থ হয়। পাঞ্জাব কিংছৰ হৈ নেহল ৱাধেৰাই সংঘৰ্ষপূৰ্ণ ৬২ ৰান কৰে। ৰাজস্থানৰ হৈ জোফ্ৰা আৰ্ছাৰে ৩টা উইকেট লাভ কৰে। আৰ্ছাৰক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহী কেপিটেলছে চেন্নাই চুপাৰ কিংছক ২৫ ৰাণত পৰাস্ত কৰে। চেন্নাই চুপাৰ কিংছে ১৮৪ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৫৮ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ আগেয়ে দেলহী কেপিটেলছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেট হেৰুৱাই ১৮৩ ৰাণ সংগ্ৰহ কৰে।

প্ৰতিযোগিতাত আজি হায়দৰাবাদত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ্ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। গুজৰাটে বৰ্তমানলৈ খেলা তিনিখন খেলৰ দুখনত জয়লাভ কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাত তৃতীয় স্থান আছে। হায়দৰাবাদে ৪ খন খেলৰ ভিতৰত এখন খেল জয়লাভ কৰি পইণ্ট তালিকাৰ একেবাৰে শেষত আছে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম, নাগালেণ্ড আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

ইয়াৰ উপৰি অসম, মেঘালয়, নাগালেণ্ড, মিজোৰাম আৰু ত্ৰিপুৰাৰ কেতবোৰ ঠাইত প্ৰতি ঘণ্টাত ৪০ৰ পৰা ৫০ কিলোমিটাৰ বেগেৰে বতাহ বলাৰ সম্ভাৱনা আছে বুলি কেন্দ্ৰটোৱে জানিবলৈ দিছে।

০০০০০০

সমাপ্ত